গৌৰৱোজ্জ্বল অবিৰাম যাত্ৰাৰ ৩০তম বৰ্ষ

দৈনিক গণ অধিকাৰ

মূক জনতাৰ মুক্ত কণ্ঠ

৬ ডিচেম্বৰ, ২০২৩ ■ ১৫ আঘোণ, ১৯৪৫ শক ■ GUWAHATI, VOL. XXX, NO. 124, WEDNESDAY, 6 DECEMBER, 2023 ■

# নৱজ্যোতি মহাবিদ্যালয়ত বিশ্ব এইড্‌ছ দিৱস পালন




গণ বাৰ্তা, কলগাছিয়া, ৫ ডিচেম্বৰ ঃ বৰপেটা জিলাৰ কলগাছিয়াস্থিত নৱজ্যোতি মহাবিদ্যালয়ত ত্ৰিশ নৱেম্বৰ আৰু এক ডিচেম্বৰত দুদিনীয়া কাৰ্যসূচীৰে বিশ্ব এইডছ দিৱস পালন কৰা হয়। ত্ৰিশ নৱেম্বৰত বিষয়ৰ সৈতে সংগতি ৰাখি ছাত্ৰ-ছাত্ৰী সকলৰ মাজত পোষ্টাৰ তৈয়াৰ আৰু ৰংগোলী অংকন প্ৰতিযোগীতা অনুষ্ঠিত কৰা হয়। এক ডিচেম্বৰত মহাবিদ্যালয়ৰ সভাকক্ষত এইছড বিষয়ক সজাগতা মূলক অনুষ্ঠানৰ আয়োজন কৰা হয়। উক্ত অনুষ্ঠানত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ ছাহজাহান আলী আহমেদে। সভাপতিৰ ভাষানত অধ্যক্ষই এইছড ৰোগৰ প্ৰতি সজাগ হবলৈ আহবান জনোৱাৰ লগতে সামাজিক শৃংখলা বজাই ৰাখিবলৈ আহবান জনায়। অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা মেঘালী মৰাতে আঁত ধৰা অনুষ্ঠনত কলগাছিয়া অসামৰিক চিকিৎসালয়ৰ জেষ্ঠ চিকিৎসক ডাঃ ৰেজাউল কৰিম সমল ব্যক্তি হিচাপে উপস্থিত থাকে। ডাঃ কৰিমে বৰ্তমানৰ সমাজ ব্যৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি সামাজিক বিশৃংখলা, অসামাজিকতা আৰু অসজাগও, আদি বিষয় উল্লেখ কৰি ছাত্ৰ-ছাত্ৰীক সজাগ হবলৈ আহবান জনায়। তেওঁ কয় যে এইডছ ৰোগৰ কোনো চিকিৎসা নাই। সজাগতাৰ ইয়াৰ মূল চিকিৎসা। তেওঁৰ মতে এইডছ সম্পৰ্কীয়া বিষয়ৰ বৰ্তমানো যথেষ্ট অধ্যয়নক অবকাশ আছে। উক্ত অনুষ্ঠানত বিষয়ৰ সৈতে সংগতি ৰাখি অনুষ্ঠিত কৰা প্ৰতি যোগিতাৰ ফলাফল সমূহ বিতৰন কৰা হয়। অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়ায় প্ৰাণী বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক প্ৰীতম দে সৰকাৰে। উল্লেখ্য যে উক্ত অনুষ্ঠানত মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ অধ্যাপক, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰী সকল উপস্থিত থাকে।